10/06/২০২৫

# যোৰহাট মহাবিদ্যালয়ত অস্পৃশ্যতা বিৰোধী দিৱস

**যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ১০ জুন ঃ** আজি যোৰহাট মহাবিদ্যালয়ৰ ৰুছা (RUSA) কনফাৰেন্স হলত মুক্তিযোদ্ধা, সমাজ সংস্কাৰক সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি 'অস্পৃশ্যতা বিৰোধী দিৱস' পালন কৰা হয়। অনুষ্ঠানটোৰ মূল দায়িত্বত আছিল ইতিহাস বিভাগ আৰু সমাজতত্ত্ব ৰিভাগ। এই প্ৰয়াসক অধিক শক্তিশালী কৰি তুলিবলৈ মহাবিদ্যালয়খনৰ NSS গোট আৰু কমিউনিটি ডেভেলপমেণ্ট ক্লাবে বিশেষ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানটোৰ শুভাৰম্ভ কৰি ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ৰক্তিম জ্যোতি হাজৰিকাই গড়মূৰ সত্ৰৰ প্ৰয়াত অধিকাৰগৰাকীৰ অস্পৃশ্যতাৰ বিৰুদ্ধে চলোৱা জীৱনজোৰা সংগ্ৰামৰ চমু আলোকপাত কৰে আৰু সত্ৰাধিকাৰ গৰাকীৰ কৰ্মৰাজিক আজিৰ প্ৰজন্মই জানিব পৰাকৈ পূৰ্ণাংগ গ্ৰন্থৰূপে লিপিবদ্ধ কৰি যোৱা বিশিষ্ট লেখক গংগাধৰ হাজৰিকাকো শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ আদৰ্শক সোঁৱৰণ কৰে। ভাষণত তেওঁ কয় যে সেই যুগতেই সত্ৰাধিকাৰ হোৱা সত্ত্বেও সকলো জনজাতি, তথাকথিত নিম্নবৰ্ণৰ সমাজক সামাজিক সমৰসতাৰে আঁকোৱালি লোৱা এইজন যুগদ্ৰষ্টা দেশৰ ভিতৰতেই অনন্য। মহিলাৰ সহ অভিনয়ৰ দৰে প্ৰগতিবাদী চিন্তাৰে সমাজক বাট দেখুৱাব খোজা, সমবায় আন্দোলনৰ চিন্তা কৰা এইজন অসমীয়াৰ চিন্তা-চৰ্চাক জাতিটোৱে সদায় শ্ৰদ্ধাৰে স্মৰণ কৰা উচিত। শলাগৰ শৰাই আগবঢ়ায় সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা স্বপ্নাজ্যোতি বৰাই।